# 2017

## ASSAMESE

## ( Major )

Paper : 5.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা (যি কোনো সাতটা) : ১×৭=৭

(ক) *A Course in Modern Linguistics* নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন?

(খ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালক 'কেন্টুম আৰু সতম' নামেৰে কোনে প্ৰথমে বিভাজন কৰে?

(গ) এস্কিমো ভাষা পৰিয়ালৰ ভাষাসমূহ পৃথিৱীৰ কোন অঞ্চলত প্ৰচলিত?

(ঘ) কি শ্ৰেণীৰ ভাষাত বাক্যত শব্দবোৰৰ স্থান অনুযায়ী ভিন্ন অৰ্থ হয়?

(ঙ) এছ্পিৰেন্টো নামৰ কৃত্ৰিম ভাষাটোত মুঠতে কেইটা মৌলিক সূত্ৰ আছে?

(চ) ১৭৮৬ চনত এছিয়াটিক ছোছাইটিত কোনে গ্ৰীক আৰু লেটিনৰ সংস্কৃতৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছে বুলি মন্তব্য কৰিছিল?

(ছ) বড়ো ভাষাটো কোন ভাষা পৰিয়ালৰ অন্তৰ্গত?

(জ) ব্ৰিটেনত প্ৰথমতে কোনটো শাখাৰ ভাষা চলিছিল?

(ঝ) ঋক্‌বেদৰ প্ৰাচীনতম কবিতাবোৰৰ ৰচনাকাল কেতিয়াৰ বুলি অনুমান কৰা হৈছে?

২। চমু উত্তৰ লিখা (যি কোনো চাৰিটা) : ২×৪=৮

(ক) বৌদ্ধ-সংস্কৃত ভাষা বুলিলে কি বুজা?

(খ) ভাৰতবৰ্ষত প্ৰচলিত যি কোনো দুটা ভাষা পৰিয়ালৰ নাম লিখা।

(গ) ভাষাৰ উৎপাদনশীলতা বুলিলে কি বুজা?

(ঘ) জিপছী ভাষা সম্পৰ্কে চমুকৈ লিখা।

(ঙ) আৰ্য ভাষাৰ অন্তৰঙ্গ আৰু বহিৰঙ্গ বিভাগ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(চ) শব্দাৰ্থ পৰিৱৰ্তনৰ চাৰিটা কাৰণ উল্লেখ কৰা।





৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) মিশ্ৰভাষা

(খ) ভাষাৰ মান্যতা প্ৰাপ্তিৰ কাৰ্য প্ৰক্ৰিয়া

(গ) গুপ্তভাষা

(ঘ) ভাষাৰ ধ্বনি পৰিবৰ্তনত সামাজিক আৰু ৰাজনৈতিক প্ৰভাৱ

(ঙ) মনো-ভাষাবিজ্ঞান

৪। (ক) পৃথিৱীৰ ভাষাসমূহক কি কি প্ৰকাৰে বৰ্গীকৰণ কৰিব পাৰি? ভাষাৰ আকৃতিমূল বৰ্গীকৰণ সম্পৰ্কে উদাহৰণসহ বহলাই আলোচনা কৰা। ৩+৭=১০

*অথবা*

(খ) পৃথিৱীৰ ভাষাসমূহক কি কি পৰিয়ালত বিভক্ত কৰা হৈছে? ইয়াৰে চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ অন্তৰ্গত অসম-বৰ্মী উপশাখাৰ ভাষাসমূহৰ পৰিচয়মূলক আলোচনা দাঙি ধৰা। ২+৮=১০

৫। (ক) জাতি, সমাজ আৰু সংস্কৃতিৰ সংজ্ঞা নিৰূপণ কৰি ভাষাৰ সৈতে এইবোৰৰ সম্পৰ্ক বিচাৰ কৰা। ১০

*অথবা*

(খ) আন্তঃৰাষ্ট্ৰীয় ভাষা বুলিলে কি বুজা? আন্তঃৰাষ্ট্ৰীয় ভাষা কি কি প্ৰকাৰৰ হ'ব পাৰে? কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষা কেনে ধৰণৰ হোৱা উচিত? পৃথিৱীৰ এটা প্ৰধান কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষা সম্পৰ্কে বহলাই লিখা। ১+১+২+৬=১০

৬। (ক) ভাষাৰ পৰিবৰ্তনৰ ঘাই কাৰণ দুটা কি কি? ভাষাৰ অন্বয়ী পৰিবৰ্তন কোনটো কাৰণত সংঘটিত হয়? ভাষাৰ এই পৰিবৰ্তনৰ লগত জড়িত গ্ৰীম নিয়ম সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ১+১+৮=১০

*অথবা*

(খ) তলত দিয়া যি কোনো চাৰিটা ধ্বনি পৰিবৰ্তনৰ দিশৰ বিষয়ে চমু টোকা লিখা : ২$\frac{১}{২}$×৪=১০

স্বৰ সমীভৱন; সমাক্ষৰ লোপ; মধ্য স্বৰাগম; অপিনিহিতি; স্বতঃ নাসিক্যভৱন; সঘোষীভৱন; মহাপ্ৰাণীভৱন।

★★★